# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 19-08-2025
**Time :** 21-25 Hrs

### ASSAMESE NIGHT BULLETIN
::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

গুৱাহাটীত ভাৰতীয় ব্যৱস্থাপনা প্ৰতিষ্ঠান স্থাপনৰ পথ প্ৰশস্থ কৰি লোকসভাই আজি ভাৰতীয় ব্যৱস্থাপনা প্ৰতিষ্ঠান সংশোধনী বিধেয়ক ২০২৫ গ্ৰহণ কৰে। কেন্দ্ৰীয় শিক্ষা মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে  উত্থাপন কৰা বিধেয়কখন নিম্ন সদনত আজি মৌখিক ভোটত গৃহীত হয়। কেন্দ্ৰীয় চৰকাৰে এই প্ৰকল্পৰ বাবে ৫৫০ কোটি টকা আছুতিয়াকৈ ৰাখিছে।

এই প্ৰতিষ্ঠান উত্তৰ-পূবৰ দ্বিতীয় আৰু দেশৰ ২২ সংখ্যক আই আই এম হিচাপে পৰিগণিত হ'ব।

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই বিধেয়কখন লোকসভাত গৃহীত হোৱাক লৈ সন্তুষ্টি প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যযোগে কৈছে যে আজিৰ দিনটো ৰাজ্যৰ বাবে সচাকৈ এটা ঐতিহাসিক দিন। তেওঁ এই বিশেষ প্ৰচেষ্টাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আৰু কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ শলাগ লয়। ডঃ শৰ্মাই লগতে আই আই টি, এইমছ আৰু এতিয়া আই আই এমৰ প্ৰতিষ্ঠাৰ জৰিয়তে অসম পূব ভাৰতৰ প্ৰধান শিক্ষা কেন্দ্ৰ হিচাপে পৰিগণিত হব বুলি আশা প্ৰকাশ কৰে।

০০০০০

উত্তৰ-পূৱ সীমান্ত ৰে'লৰে চলিত বৰ্ষৰ প্ৰথম ৭ মাহত বৈদ্যুতিকীকৰণ আৰু সেউজ শক্তি উদ্যমৰ ক্ষেত্ৰত বিশেষ সাফল্য অৰ্জন কৰিছে। উত্তৰ পূৱ সীমান্ত ৰে'লৰে জানুৱাৰীৰ পৰা জুলাইলৈকে  এহেজাৰ ৪৩ কিলোমিটাৰ দৈৰ্ঘ্যৰ ৰেল'পথৰ বৈদ্যুতিকীকৰণ কৰিছে। ইয়াৰ উপৰি অসমৰ চাপৰমুখ, হোজাই নামনিমুৰা ৰে'লপথছোৱা আৰু দুধনৈ আজৰা সংযোগী দ্বিতীয়টো লাইনৰ বৈদ্যুতিকীকৰণ সম্পূৰ্ণ কৰা হৈছে। এই সাফল্যৰে ৰঙিয়া সংমণ্ডল পূৰ্ণ বৈদ্যুতিকৃত সংমণ্ডলৰূপে পৰিগণিত হৈছে।

০০০০০

বড়ো সাহিত্য সভাৰ প্ৰাক্তন সভাপতি বীনেশ্বৰ ব্ৰহ্মৰ ২৫ সংখ্যক মৃত্যু বাৰ্ষিকী উপলক্ষে আজি কোকৰাঝাৰৰ চান্দামাৰীত থকা ব্ৰহ্মৰ সমাধিস্থলীত বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হয়।  বড়ো সাহিত্য সভাই বীনেশ্বৰ ব্ৰহ্ম দাতব্য ন্যাসৰ সহযোগত আয়োজন কৰা এই অনুষ্ঠানত বড়ো সাহিত্য সভাৰ সভাপতি ডঃ সুৰথ নাৰ্জাৰীয়ে সভাৰ পতাকা অৰ্ধ উত্তোলন কৰাৰ লগতে ব্ৰহ্মৰ স্মৃতিত পুস্পাৰ্ঘ্য তৰ্পন কৰে। এই উপলক্ষে শান্তিৰ প্ৰতীক বগা পাৰ চৰাই উৰুৱাই দিয়া হয়। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি আয়োজিত কাৰ্যসূচীত মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম, বিটিচি বিধায়িনী সভাৰ অধ্যক্ষ কাতিৰাম বড়ো,  বিধায়ক লৰেন্স ইছলাৰীকে ধৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানত দিয়া ভাষণত মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই বীনেশ্বৰ ব্ৰহ্মৰ সাহিত্যিক অৱদানৰ কথা সোঁৱৰণ কৰাৰ লগতে তেওঁক এগৰাকী ভৱিষ্যদৰ্শী নেতা বুলিও অভিহিত কৰে। আজিৰ অনুষ্ঠানত এখন স্মৃতি গ্ৰন্থ উন্মোচন কৰা

হয়। উল্লেখযোগ্য যে ২০০০ চনত সশস্ত্ৰ উগ্ৰপন্থীয়ে বাসগৃহত কৰা আক্ৰমণত বড়ো সাহিত্য সভাৰ প্ৰাক্তন সভাপতিগৰাকীৰ মৃত্যু হৈছিল।

০০০০০

বি টি আৰৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়োৱে বাক্সা জিলাৰ বৰমাত আজি শৰণীয়া কছাৰী ছাত্ৰ সন্থাৰ কাৰ্যালয়ৰ আধাৰশিলা স্থাপন  কৰে। বি টি আৰত শান্তি আৰু সম্প্ৰীতিৰ পৰিবেশ অক্ষুণ্ণ ৰখাৰ বাবে বড়োলেণ্ড ক্ষেত্ৰীয় পৰিষদে সৰ্বতোপ্ৰকাৰে চেষ্টা অব্যাহত ৰাখিছে বুলি মন্তব্য কৰি শ্ৰীবড়োৱে কয়, যে বড়োলেণ্ডত শান্তিৰ পৰিবেশ স্থাপন কৰাত অঞ্চলটোৰ উন্নয়নৰ বাট প্ৰশস্ত হৈছে। আজিৰ অনুষ্ঠানত কাৰ্যবাহী সদস্য ৰাকেশ ব্ৰহ্মকে ধৰি ভালে কেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০

শিশু শিক্ষা সমিতি অসমৰ অন্তৰ্গত মাজুলীৰ সংকুলৰ এখন বিজ্ঞান মেলা আজি ফুলনিত অনুষ্ঠিত হয়। এই বিজ্ঞান মেলাত বিজ্ঞান আৰ্হি, বিজ্ঞান প্ৰশ্নবাচন আৰু বিজ্ঞান পত্ৰবাচন প্ৰতিযোগিতাৰ মাজুলী সংকুলৰ উচ্চ মাধ্যমিক পৰ্যায়ৰ ভালেকেইখন বিদ্যালয়ৰ ছাত্ৰ ছাত্ৰীয়ে অংশগ্ৰহণ কৰে।

০০০০০

অসমৰ ইতিহাসৰ অবিচ্ছেদ্য অংগ চতিয়াৰ জনসাধাৰণৰ ত্যাগ,সাহস আৰু দেশপ্ৰেমৰ স্মৃতিত কাইলৈ চতিয়া দিৱস উদযাপন কৰা হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই অনুষ্ঠানত অংশ লোৱাৰ কথা।

০০০০০

যোৱাবাৰৰ ছেম্পিয়ন নৰ্থ ইষ্ট ইউনাইটেড এফ চিয়ে ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰিছে।  নৰ্থ ইষ্ট ইউনাইটেড এফ চিয়ে আজি শ্বিলঙৰ জৱাহৰলাল নেহৰু ষ্টেডিয়ামত অনুষ্ঠিত প্ৰতিযোগিতাৰ প্ৰথমখন ছেমিফাইনেলত শ্বিলং লাজং এফ চিক ১-০ গলত পৰাস্ত কৰে।  নৰ্থ ইষ্টৰ হৈ ৰিদিম ট্লাঙে বিজয়সূচক গলটো দিয়ে।

০০০০০

যোৰহাটত কাইলৈৰ পৰা হ'বলগীয়া অল ইণ্ডিয়া ফুটবল ফেডাৰেছনৰ ১৬ বছৰ অনুৰ্ধ ছোৱালীৰ টায়াৰ ওৱান টুৰ্ণামেণ্টৰ বাবে ভাৰতৰ বিভিন্ন ঠাইৰ দলসমূহ আহিবলৈ আৰম্ভ কৰিছে। নাগালেণ্ড, অৰুণাচল, মেঘালয়, অন্ধ্ৰপ্ৰদেশ, ঝাৰখণ্ড, দিল্লী আদি ঠাইৰ খেলুৱৈসকলক যোৰহাট ক্ৰীড়া সন্থাই আদৰণি জনাইছে  বুলি আমাৰ যোৰহাটৰ সংবাদদাতাই জানিবলৈ দিছে। যোৱা বছৰ ফুটবল ফেডাৰেছনৰ টায়াৰ টু ৰ ১৬ বছৰ অনুৰ্ধ টুৰ্ণামেণ্টখনৰ সফলতাৰ পাছত যোৰহাট জিলা ক্ৰীড়া সন্থাই দ্বিতীয়বাৰৰ বাবে ৰাষ্ট্ৰীয় পৰ্যায়ৰ খেলখন অনুষ্ঠিত কৰিবলৈ লৈছে।

০০০০

ঃঃ সমাপ্ত ঃঃ